জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ২৯৯ ● বৃহস্পতিবাৰ ● ২৫ আহাৰ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday July 10, 2025 ● ১৮ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাই

## কানৈ মহাবিদ্যালয়ৰ অধ্যয়ন পৰিষদৰ বৈঠক সম্পন্ন




ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ জুলাই ঃ ৮০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) ইতিহাসত আজিৰ দিনটো এক স্মৰণীয় দিন হৈ ৰ'ব। চলিত বৰ্ষৰ ১৭ এপ্ৰিলত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পাছত আজি প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথমখন অধ্যয়ন পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। বিভাগৰ সহকাৰী অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা বৈঠকত সভাপতিত্ব কৰে বিভাগৰ মুৰব্বী তথা ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যয়ন পৰিষদৰ অধ্যক্ষ ড° লামখ'লাল ডঙ্গেলে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণত ৰাজনীতি বিজ্ঞান বিভাগে গ্ৰহণ কৰা প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে নিজা পাঠ্যক্ৰমৰ জৰিয়তে কানৈ মহাবিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰলৈ এক অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডীন, ছ'চিয়েল ছায়েঞ্চ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° ডলী ফুকনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ মনোনীত প্ৰতিনিধি হিচাপে থাকি বিভিন্ন শৈক্ষিক বিষয়ত আলোকপাত কৰে। সমান্তৰালভাৱে ড° ফুকনে ৰাজনীতি বিজ্ঞান বিভাগৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰচলিত আৰ্হি আৰু কানৈ মহাবিদ্যালয়ে প্ৰস্তুত কৰি উলিওৱা শৈক্ষিক পৰিষদৰ নিয়মাৱলী অৱলম্বন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব পৰাকৈ পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। সভাত বিষয় বিশেষজ্ঞ হিচাপে উপস্থিত থাকে ডিগবৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী ড° জিতু বৰা আৰু অনলাইন যোগে উপস্থিত থাকে তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° ৰশ্মি দত্ত। ঔদ্যোগিক আৰু আনুষংগিক খণ্ডৰ মনোনীত সদস্য হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ কাঠফুলাৰ বিশেষজ্ঞ তথা উদ্যোগী কৃষ্ণ শইকীয়া। সভাত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, সহকাৰী সদস্য সচিব ড° নিতুমণি শইকীয়া, পৰীক্ষা নিয়ন্ত্ৰক ড° মৃদুল শৰ্মা, ৰাজনীতি বিজ্ঞানৰ জ্যেষ্ঠ অধ্যাপিকা ড° নিৰ্মালি পেগু; অধ্যাপক শিৱনাথ চুতীয়া উপস্থিত থাকে। সভাৰ শেষত বিভাগৰ মুৰব্বী ড° লামখ'লাল ডঙ্গেলে সভাত উপস্থিত থকা প্ৰতিগৰাকী সদস্যক ধন্যবাদ আৰু শলাগ জ্ঞাপন কৰে।

---

## চৰকাৰৰ
## া সংলগ্ন
## া আঁচনিত
## ৰ অনুমোদন

নিমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত
ভাৱে উৎপাদনৰ বিষয়ত গুৰুত্ব
, নিয়োগযোগ্যতা বৃদ্ধি আৰু বিভিন্ন
সাৰণৰ লক্ষ্যৰে ফ্লেগশ্বিপ নিয়োগ-
নুমোদন জনাইছে। ই এল আই
যোগ্য দিশসমূহ হৈছে—২০২৫
চনৰ ৩১ জুলাইৰ ভিতৰত ৩.৫
ধিক নতুন আনুষ্ঠানিক চাকৰি সৃষ্টি
গু-প্ৰথমবাৰৰ বাবে কৰ্মচাৰী ঃ ১
যোগ্য ই পি এফ অ' পঞ্জীয়নভুক্ত
াহৰ পি এফ মজুৰি) দুটা কিস্তিত
ৰ অবিৰত কৰ্মসংস্থাপনৰ পাছত।
ৰতা কাৰ্যসূচী সম্পূৰ্ণ কৰাৰ সৈতে
তামূলকভাৱে এটা সঞ্চয় যন্ত্ৰত
ৰা হিতাধিকাৰী ঃ ১.৯২ কোটি
প্ৰৱেশ কৰা। খ খণ্ড নিয়োগকৰ্তা ঃ

---

'বুঢ়ী আইৰ সাধু'ৰ
সাধুৰ জৰিয়তে শি
নকৈ সদায় সত
যাবলৈ পৰামৰ্শ অ
ডিবৰু লোক সাংস্কৃ
তথা লোকবাদ্য স

## আজি
## অ

মৰাণ ঃ নিজা
অভয়পুৰীয়া গাঁ
ভৱনত ১০—
এটা বিনামূলীয়
নিৰেন চুতীয়া
বন্তি প্ৰজ্বলনেৰে
কৰিব। বিশিষ্ট
সম্পাদক, অধ্য
অজিত চুতীয়া
কলা বিশাৰদ,
ডেকাই। সংঘ
দহ বজাৰ পৰা

নিতাইপুখুৰী
শিৱসাগৰৰ নি